DAINIK ASAM, Guwahati, Wednesday, October 10, 2012

যুধবৰীয়া যুলনি

দৈনিক অসম, গুৱাহাটী, ১০ অক্টোবৰ, ২০১২

দুনীতি, ভ্ৰষ্টাচাৰ, সাম্প্ৰদায়িক সংঘৰ্ষ, সন্ত্ৰাসবাদ আদি এশ এবুৰি সমস্যাৰে জৰ্জৰিত হৈ পৰা সাম্প্ৰতিক ভাৰতবৰ্ষৰ প্ৰতিচ্ছবিয়ে আজি আশাহত কৰি তুলিছে গৰিষ্ঠসংখ্যক দেশবাসীক। তেওঁলোকে অনুভৱ কৰে যে চৌদিশে কদৰ্যময় হৈ পৰা এই দেশ যেন আজি জীৱন ধাৰণৰ বাবেও অনুকূল নহয়। অথচ এই দেশতে এসময়ত সভ্যতা-সংস্কৃতিয়ে পাতনি মেলিছিল। এই দেশৰ জ্ঞান-গৰিমাৰ সৌৰভ বিয়পি পৰিছিল বিশ্বৰ ভিন ভিন প্ৰান্তত। সময় সলনি হ'ল। সলনি হ'ল সামাজিক কাঠামোৰ। পৰিবৰ্তিত সময়, সামাজিক ব্যৱস্থাই উদ্ভৱ ঘটালে ন ন সমস্যাৰ। এয়া কেৱল ভাৰতবৰ্ষৰ প্ৰতিচ্ছবি নহয়, সমগ্ৰ বিশ্ব ঘূৰ্ণিহে একেটা আৱৰ্ততে। কিন্তু সমীপৰপৰা দেখি ভাব হৈছে যেন আমাৰ দেশহে কেৱল গেলিছে। সমূলি অধঃপাতে গৈছে এই দেশ। স্বয়ং ভগৱানো যেন সাধ্য নাই এই দেশ আৰু দেশবাসীক ৰক্ষা কৰাৰ। অথচ ইয়াৰ মাজতো এচাম লোক আছে যি অতি নিষ্ঠা আৰু সততাৰে কৰি গৈছে নিজৰ কাম। দেশৰ সমস্যাৰাজিৰ প্ৰতি তেওঁলোক নিৰুদ্বেগ নহয়। কিন্তু সেইবোৰে যেন তেওঁলোকৰ দৈনন্দিন কাম-কাজক কোনো ধৰণে প্ৰভাৱিত কৰিব পৰা নাই। তেওঁলোকৰ কামৰ পৰিসৰ হয়তো ক্ষুদ্ৰ, কিন্তু তাৰ ব্যাপ্তি যেন অভাৱনীয়। তেওঁলোকৰ কৰ্মৰাজিৰ মাজতেই নিহিত হৈ আছে এখন সুস্থ-সুন্দৰ ভাৰতৰ বুনিয়াদ। দেশৰ বৃহৎ বৃহৎ সমস্যাক দৈ তেওঁলোকে সিব ফুলাই কোনো উদাত্ত ভাষণ প্ৰদান কৰা নাই বা সমস্যাৰ ভৰত কোঙা হৈ পৰা দেশৰ প্ৰতিচ্ছবি দেখি হাত সাবটি নিশ্চুপ হৈও বহি থকা নাই। বৰং সমস্ত প্ৰতিকূলতাৰ বিৰুদ্ধে তেওঁলোকে নিজৰ ক্ষেত্ৰখনত নিজৰ ক্ষমতাৰে নীৰৱে কিন্তু এক ব্যতিক্ৰমী প্ৰয়াস কৰি গৈছে অহৰহভাৱে। সমাজত হয়তো নাই তেওঁলোকৰ কোনো বীৰোচিত আসন বা বোলছবিৰ নায়ক-নায়িকাৰ দৰে যশ-খ্যাতি। কিন্তু তেওঁলোকেই হৈছে আমাৰ স্বপ্নৰ সুস্থ-সুন্দৰ ভাৰতবৰ্ষৰ প্ৰকৃত খনিকৰ, 'ৰিয়েল হিৰো'। আৰু দেশৰ প্ৰান্তে প্ৰান্তে সিচৰতি হৈ থকা এনে 'ৰিয়েল হিৰো'বোৰকেই বিচাৰি-খুচৰি আনি সন্মানিত কৰি আহিছে 'চিভিল ছ'চাইটী হল অব্ ফেম'-এ। 'চিভিল ছ'চাইটী হল অব্ ফেম'ৰ তালিকাত এইবাৰ পাঁচগৰাকী ভাৰতীয়ই স্থান পাইছে। অসমবাসীৰ বাবে সুখৰৰ যে এই তালিকাত স্থান লাভ কৰিছে এগৰাকী অসম সুসন্তান। নাম তেওঁৰ ডঃ চিৰঞ্জীৰ কাকতি। তালিকাৰ আনকেইজন ব্যক্তি হ'ল— বয়া পেড্ডা ৰাজন্না, ডঃ এভিটা ফাৰ্ণাণ্ডেজ, সঞ্জয় সাহনী আৰু নৌৰতি বাই। তেওঁলোকৰ দৈনন্দিন কাম-কাজলৈ পৰ্যবেক্ষণ কৰিলে এনে ভাব হয় তেওঁলোকো আমাৰ মাজৰে সাধাৰণ লোক। কিন্তু অলপ ভালকৈ লক্ষ্য কৰিলেই অনুমান কৰিব পাৰি তেওঁলোকৰ ব্যক্তিত্বৰ দৃঢ়তা, কৰ্ম-স্পৃহা তথা নিজ কৰ্মৰ প্ৰতি থকা সন্মান আৰু উৎসৰ্গিত মনোভাবৰ।

সুন্দৰৰ সপোন দেখা পূজাৰীসকল

জীৱন | জিতুমনি পাঠক

ডঃ এভিটা ফাৰ্ণাণ্ডেজ

ডঃ এভিটা ফাৰ্ণাণ্ডেজ পেছাত এগৰাকী স্ত্ৰীৰোগ বিশেষজ্ঞ। তেওঁৰ ডাক্তৰ পিতৃ-মাতৃয়ে প্ৰতিষ্ঠা কৰি থৈ গৈছিল এখন আধুনিক সা-সুবিধা সম্পন্ন ব্যক্তিগত চিকিৎসালয়। দেখাত আনবোৰ চিকিৎসালয়ৰ দৰেই এখন সাধাৰণ চিকিৎসালয়, কিন্তু ডঃ এভিটাৰ হাতত পৰি সি এক অনন্য উচ্চতা লাভ কৰিছে। কাৰণ এই চিকিৎসালয়ত কোনোৱে অৰ্থৰ অভাৱত ঘূৰি যাব নালাগে। অথচ ইয়াত শেষ কথা নহয়। দুখতকৈ যে বহু ওপৰত মানৱতা সেইহে প্ৰতিধ্বনিত হৈছে ডঃ এভিটাৰ চিকিৎসালয়ত। ডঃ এভিটা যেন মৃত মানৱতাৰ দেশত এচুলু আশাৰ সঞ্জীৱনী। সেয়েহে 'চিভিল ছ'চাইটী হল অব্ ফেম'ৰ দৃষ্টিত তেওঁ হৈ পৰিছে অনন্য ব্যক্তিত্ব।



১১ অক্টোবৰত নতুন দিল্লীত বঁটা গ্ৰহণ কৰিব কাকতিয়ে

মানৱতাৰ পৃষ্ঠভূমিৰে দুঃস্থজনৰ আস্থা অৰ্জা ব্যক্তিগৰাকী

সাক্ষাৎকাৰ জিতুমনি পাঠক

সঞ্জয় সাহনী

এই তালিকাত স্থান লাভ কৰা আন এগৰাকী ব্যক্তি হ'ল— বিহাৰৰ সঞ্জয় সাহনী। স্কুল ড্ৰপ আউট ২৭ বছৰীয়া সঞ্জয় নিতান্তই এগৰাকী সাধাৰণ যুৱক। কিন্তু এই সাধাৰণ যুৱকৰ নেতৃত্বতেই এদিন জাগি উঠিছিল মুজাফ্ফৰবাসী বাইজ দুৰ্নীতিৰ বিৰুদ্ধে। ইণ্টাৰনেটত এনবেগাৰ কাম-কাজত ব্যাপক বৈষম্য প্ৰত্যক্ষ কৰি হুংকাৰি উঠিছিল সঞ্জয় সাহনী। দুৰ্নীতিৰ বিৰুদ্ধে এইদৰে জাগি উঠা এই প্ৰতিবাদী কণ্ঠক সেয়েহে 'চিভিল ছ'চাইটী হল অব্ ফেম'-এ ভবিষ্যতৰ সপোনৰ ভাৰতবৰ্ষখনিৰ এজন খনিকৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

ডঃ চিৰঞ্জীৱ কাকতি

চিভিল ছ'চাইটীৰ হল অব্ ফেমৰ সন্মান প্ৰদানৰ এই অনন্য প্ৰচেষ্টাত অসমৰ বাবে উৎসাহজনক কথাটো হ'ল— ডঃ চিৰঞ্জীৱ কাকতিৰ নাম অন্তৰ্ভুক্তি। এই নাম যিদৰে অসমৰ কাৰোবাৰ বাবে অচিনাকি, কাৰোবাৰ বাবে অতি আপোন, অতিকে চিনাকি। অসমৰ কোকৰাঝাৰ, ওদালগুৰি, বৌতা, কাৰগাঁও বা গোৱালপাৰা জিলাৰ অসম-মেঘালয়ৰ সীমাৱৰ্তী অঞ্চলসমূহলৈ গৈ, সংঘৰ্ষপীড়িত মানুহবোৰৰ মাজলৈ গৈ সোধাৰ কোনো প্ৰয়োজন নাই ডঃ চিৰঞ্জীৱ কাকতি কোন। দুঃস্থ দিনৰ এইগৰাকী বন্ধুৰ ছবি সকলোৱে তেওঁলোকৰ হৃদয়ৰ এলবামত সযতনে সাঁচি ৰাখিছে। ডঃ চিৰঞ্জীৱ কাকতিয়েই ৰঙিয়াৰ অন্ধকাৰ গলিত অসমৰ এগৰাকী নীৰৱ কৰ্মযোগী ডঃ চিৰঞ্জীৱ কাকতিলৈ 'চিভিল ছ'চাইটী হল অব্ ফেম'-এ প্ৰদান কৰা সন্মান তথা স্বীকৃতি এই শাৰদীয় মুহূৰ্তৰ প্ৰাক্-ক্ষণত অসমবাসীৰ বাবে এটা অতিকে সুখৰ খবৰ। নীৰৱ সাধনাৰে নিজৰ কৰ্মৰাজিৰ জৰিয়তে তেওঁ যিদৰে অসমৰ শিৰ দেশবাসীৰ মাজত উজলাই তুলিলে তাৰ বাবে আজি প্ৰতিজন অসমীয়াই এই অসম সন্তানগৰাকীক লৈ গৌৰৱ অনুভৱ কৰিছে। এই আপাইঁতে তেওঁৰ সৈতে হোৱা আমাৰ কথা-বতৰাৰ সংক্ষিপ্ত ৰূপ পাঠকলৈ আগবঢ়োৱা হ'ল।

→ প্ৰতিবেদক ঃ প্ৰথমতেই 'দৈনিক অসম' তথা সমগ্ৰ অসমবাসীৰ হৈ আপোনাক শুভেচ্ছা জনাইছো।

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ ধন্যবাদ। কিন্তু ইয়াৰ লগতে মই আপোনাক জনাব বিচাৰোঁ যে এই পৰ্যন্তলৈকে মই নিজকে এই সন্মানটিৰ বাবে উপযুক্ত বুলি ভাবিব পৰা নাই। গোটেই পৰিক্ৰমাটোৱেই মোৰ বাবে যেন এক সপোন সপোন লগা ঘটনা।

→ প্ৰতিবেদক ঃ কেতিয়া আপুনি জানিব পাৰিলে যে চিভিল ছ'চাইটী হল অব্ ফেম'-এ মি পাঁচগৰাকী ব্যক্তিক এই বৰ্ষটোৰ বাবে সন্মান যাচিব বিচাৰিছে তাৰ ভিতৰত আপুনিও এগৰাকী?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ দিনটো আছিল ১৫ আগষ্ট। প্ৰতি বছৰৰ দৰে স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰি ঘৰলৈ উভতি আহিছিলোঁ। তেতিয়াই হঠাতে পাওঁ এই বাৰ্তাটি। প্ৰথম কথাষাৰ শুনি মই স্তব্ধ হৈ গৈছিলোঁ। কাৰণ মোৰ বাবে এই বাতৰি অবিশ্বাস্য আছিল। বিমূঢ়তা কটাৰ পিছত নিশ্চিত হৈছিলোঁ এয়া সপোন নহয় দিঠক। তাৰপিছতে আন এটা কথাই মোৰ মনত খোকোজাৰ সৃষ্টি কৰিছিল।

→ প্ৰতিবেদক ঃ কেনেধৰণৰ খোকোজা?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ খোকোজাটি হৈছিল এই বাবেই যে প্ৰকৃততে মই এনে এটি সন্মাননৰ বাবে যোগ্য হয়নে নহয়? সেয়েহে বঁটাটি গ্ৰহণ কৰিম নে নকৰিম সেই লৈ মনত এক দ্বিধাগ্ৰস্ততাৰ সৃষ্টি হৈছিল। সেই মুহূৰ্তত মোৰ পৰিয়াল-পৰিজন তথা বন্ধু-বান্ধৱে সেয়া গ্ৰহণ কৰাৰ সম্মতি জনাবলৈ পৰামৰ্শ দিছিল।

→ প্ৰতিবেদক ঃ বৰ্তমান সময়ত আপুনি 'North East Society for the Promotion of Youth and Masses' (NESPYM)'ৰ অধ্যক্ষৰ গুৰুভাৰ বহন কৰি আহিছে। NESPYMৰ সৈতে আৰম্ভ কৰা বৰ্ণময় যাত্ৰাৰ বিষয়ে আমাক অলপ অৱগত কৰিবনে?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ মেডিকেল ছাত্ৰ থকা অৱস্থাতে মই নিচাসক্ত ব্যক্তিসকলৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাইছিলোঁ। সেই সময়ত নিচা সেৱনকাৰীসকলে নিচা গ্ৰহণ কৰিবলৈ যি মূৰ্তভাৱে চিৰঞ্জৱ ব্যৱহাৰ কৰিছিল সেই কথাই মোক শংকিত কৰি তুলিছিল। কাৰণ এয়া আছিল HIV/AIDS বিয়পাৰ বাবে এক সুচল পথ। এই কথাই মোক HIV/AIDSৰ বিষয়ে জনসচেতনতা সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰালে। ১৯৯১ চনত NESPYMৰ পঞ্জীয়ানকৰণ হৈ যোৱাৰ পিছৰেপৰা এই দিশত মই ব্যাপক ৰূপত কাম কৰিবলৈ আৰম্ভ কৰোঁ।

→ প্ৰতিবেদক ঃ আমি জানিব পৰা মতে HIV/AIDSৰ বিষয়ে এনেধৰণে সজাগতা সৃষ্টি কৰিব খোজাসকলৰ মাজত আপুনি প্ৰথমগৰাকী ব্যক্তি বা অনুষ্ঠান। আনকি আপুনি যি সময়ত এনে কাম হাতত লৈছিল সেই সময়ত হেনো Assam State AIDS Control Societyও প্ৰতিষ্ঠা হোৱা নাছিল, সঁচানে?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ প্ৰথম ব্যক্তি হয় নে নহয় সেয়া নাজানো। কিন্তু যি সময়ত মই HIV/AIDSৰ বিষয়ে অসমত সজাগতা সৃষ্টি কৰিব খুজিছিলোঁ সেই সময়ত অসমত AIDS Control Society প্ৰতিষ্ঠা হোৱা নাছিল।

→ প্ৰতিবেদক ঃ কিছে আপোনাক এনে জনকল্যাণকামী কাম কৰিবলৈ প্ৰেৰিত কৰিছিল। সেই সময়ত HIV/AIDS আক্ৰান্তৰ সংখ্যা আজিৰ দৰে ভয়াৱহ আছিল নে?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ সেই সময়ত পৰিস্থিতিয়ে অৱশ্যে আজিৰ দৰে ভয়াৱহ ৰূপ ধাৰণ কৰা নাছিল। HIV/AIDS আক্ৰান্তৰ সংখ্যা নগণ্য প্ৰায় আছিল। সংযোগক্ৰমে সেইখিনি সময়ত মই HIV/AIDS সম্পৰ্কীয় বিষয়ত প্ৰশিক্ষণ ল'ৰলৈ Common Wealth Youth Programme আৰু WHOৰ উদ্যোগত মালয়ছিয়ালৈ গৈছিলোঁ। তাতে গৈ প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছিলোঁ এখন ভয়াৱহ অসমৰ প্ৰতিচ্ছবি। বহু গামিতা, বেবীনে ড্ৰাগ সেৱন কৰা, নিচা সক্তেৰে পৰিপূৰ্ণ অসম যেন HIV/AIDSৰ বাবে এখন উৰ্বৰ ভূমি। সেই ছবিয়ে মোক তাৎক্ষণিকভাৱে HIV/AIDSৰ বিষয়ে জনসচেতনতা সৃষ্টি কৰিবলৈ উদ্বুদ্ধ কৰিছিল।

→ প্ৰতিবেদক ঃ অসমৰ সংঘৰ্ষপীড়িত বাইজৰ ওচৰত বহু সময়ত আপুনি আৰু NESPYM গৈ থিয় দিছিল। আপোনালোকে তেওঁলোকৰ ওচৰলৈ গৈ কেনে ধৰণৰ ভাৱৰ আদান-প্ৰদান কৰিব বিচাৰিছিল?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ আমাৰ তেনে পৰিক্ৰমাত বহু ভাতৃ সংগঠনো আমাৰ সহযোগী হৈছিল। তেওঁলোকৰ মাজলৈ যোৱাৰ আমাৰ মূল উদ্দেশ্য আছিল সংঘৰ্ষৰ ক'লা ধোঁৱাই আঁৰৰি পেলোৱা তেওঁলোকৰ মনবোৰ ফৰকাল কৰি তোলা, পুনৰ তেওঁলোকৰ মাজত বিশ্বাস আৰু ভাতৃত্বৰ ভাব জগাই তোলা। ইয়াৰ বাবে অতি সম্প্ৰতি ঘটি যোৱা সংঘৰ্ষৰ অতি প্ৰত্যক্ষ অঞ্চলত বাস কৰা কোকৰাঝাৰ, চিবাং, বঙাইগাঁও জিলাৰ সংঘৰ্ষপীড়িত লোকসকলৰ মাজলৈ গৈছিলোঁ। অতি ভয়াৱহ পৰিস্থিতিৰ মাজতো তেওঁলোকৰ সৈতে সেই ঠাইবোৰত বহু দিন-ৰাতি একেলগে থাকি তেওঁলোকৰ মাজত বিশ্বাস আৰু আস্থাৰ ভাব জগাবলৈ চেষ্টা কৰিছিলোঁ।

→ প্ৰতিবেদক ঃ তেনে পৰিস্থিতি আপোনালোকে কোনো অসুবিধাৰ সন্মুখীন হোৱা নাছিল নে?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ কোনো কোনোৱে অৱশ্যে আমাৰ উদ্দেশ্যক লৈ সংশয় প্ৰকাশ কৰিছিল। বিশ্বাস-আস্থাৰ বধ্যভূমিত পৰিণত হোৱা ঠাইবোৰত যিটো স্বাভাৱিকতে হয়। কিন্তু আমাৰ সেই জনকল্যাণকামী কাৰ্যত কোনো ৰাজনৈতিক অভিসন্ধি নিহিত থকা নাছিল। আমাৰ পৃষ্ঠভূমি আছিল মানৱতা। সেয়েহে পিছলৈ আমি সেই সংঘৰ্ষপীড়িত লোকসকলৰ ভৰসা আদায় কৰিবলৈ সক্ষম হৈছিলোঁ। সংঘৰ্ষপীড়িত লোকসকলৰ মাজত থাকি তেওঁলোকৰ জীৱনৰ প্ৰকৃত ছবিখন প্ৰত্যক্ষ কৰি আমি এখন তিনি পৃষ্ঠাৰ প্ৰতিবেদন প্ৰস্তুত কৰি সেইখন ৰাজ্যৰ মুখ্য সচিব তথা নেচনেল হিউমেন ৰাইট কমিছনলৈ প্ৰেৰণ কৰিছিলোঁ। আমাৰ সেই প্ৰতিবেদন 'সকলো ধৰণৰ পক্ষপাতিতাৰপৰা মুক্ত, সম্পূৰ্ণ 'মানৱতাৰ পৃষ্ঠভূমিত তৈয়াৰী' বুলি দুয়োপক্ষৰেপৰা আমি প্ৰশংসিত হৈছিলোঁ। সেয়াই আমাৰ বাবে ডাঙৰ প্ৰাপ্তি আছিল।

→ প্ৰতিবেদক ঃ আপোনাৰ কৰ্ম জীৱনৰ খতিয়ান বহু দীঘলীয়া আৰু বৈচিত্ৰ্যময়। NESPYMৰ জৰিয়তে আপুনি মহিলা সবলীকৰণৰ প্ৰচেষ্টা চলাইছে, বৃদ্ধসকলৰ ওজ্ৰয়াৰ গুৰুভাৰ বহন কৰিছে বা যৌনকৰ্মীসকলৰ সুৰক্ষাৰ হকে সহায়ৰ হাত বঢ়াইছে। আপোনাৰ বাৰু কোনটো উল্লেখনীয় কৰ্মৰ বাবে চিভিল ছ'চাইটী অব্ হল ফেম'ৰ দ্বাৰা সন্মানিত কৰা হৈছে?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ আচলতে মোৰ কোনো এটাই বিশেষ কৰ্মৰ বাবে নহয়, বৰং সামগ্ৰিক কৰ্মৰাজিৰ মূল্যায়নেৰেহে মোক এইদৰে নিৰ্বাচিত কৰিছে বুলি জানিব পাৰিছোঁ।

→ প্ৰতিবেদক ঃ আপোনাক যে এইদৰে সন্মানিত কৰিব বিচাৰিছে সেই বিষয়ে আপুনি পূৰ্বে অৱগত আছিল নে?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ এই বিষয়ে মই সম্পূৰ্ণ অজ্ঞ আছিলোঁ। আপুনি পতাৰ দৰে বহু সময়ত বহু লোকে মোৰ সৈতে কথা-বতৰা পাতিছিল। তেওঁলোকৰ নিষ্ঠা আৰু সততাৰে আমি NESPYMৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে অৱগত কৰিছিলোঁ। বহু সময়ত আমাৰ কথা আৰু কামৰ মাজত Cross Checkও কৰা হৈছিল। আচলতে চিভিল ছ'চাইটী হল অব্ ফেম' সন্মান প্ৰদানৰ বাবে কোনো ধৰণৰ আবেদনো নিবিচাৰে বা কোনো ধৰণৰ মনোনয়নো নিদিয়ে। সেয়েহে সমগ্ৰ ঘটনাটোৰে মোৰ বাবে আছিল আশ্চৰ্যজনক আৰু বিস্ময়পূৰ্ণ।

→ প্ৰতিবেদক ঃ আপুনি কাম কৰি গৈছে নীৰৱে, দৃঢ়তা আৰু নিষ্ঠা সহকাৰে। বঁটাৰ ভৰে বাৰু আপোনাৰ ভৱিষ্যতৰ কাম-কাজক প্ৰভাৱিত কৰিব নেকি?

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ বঁটা গ্ৰহণ কৰিম বুলি কোৱাৰ লগে লগে মোৰ ওপৰত দায়িত্বৰ ভাৰ যেন আৰু বাঢ়ি গ'ল। সমগ্ৰ অসমবাসী ৰাইজৰ প্ৰতি মোৰ যে এক দায়বদ্ধতা আছে সেই কথা মই কেতিয়াও নাপাহৰোঁ। গতিকে আগৰদৰেই একে নিষ্ঠা আৰু সততাৰে মই মোৰ কাম কৰি যাম। মাত্ৰ অসমবাসী ৰাইজৰপৰা বিচাৰিছোঁ আশিস তথা তেওঁলোকৰ সহায়ৰ হাত।

→ প্ৰতিবেদক ঃ অসমবাসীৰ সহায়-সহযোগ অৱশ্যেই আপোনাৰ সৈতে সদায়ে থাকিব। পুনৰবাৰ আপোনালৈ আমাৰ তৰফৰপৰা অভিনন্দন জনালোঁ।

→ ডঃ চিৰঞ্জীৱ কাকতি ঃ ধন্যবাদ

নৌৰতি বাই

নৌৰতি বাই ডঃ এভিটাৰ দৰে কোনো উচ্চ শিক্ষিতা নাৰী নহয়। ৰাজস্থানৰ হাৰমাদা নামৰ সৰু গাঁও এখনিৰ পঞ্চায়তৰ মুৰব্বী তেওঁ। কিন্তু হ'লে কি হ'ব, অন্নি বৰষা এই নাৰীৰ প্ৰতিবাদী কণ্ঠই উচ্চতম ন্যায়ালয়ক ৰাজস্থানৰ খৰাং পীড়িত অঞ্চলৰ ৰাইজক সাহায্য তথা দৈনিক মজুৰিৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিবলৈ বাধ্য কৰাইছিল। ১৯৮৩ চনত তেওঁ আগবঢ়োৱা সাহসী নেতৃত্বৰ বাবেই খৰাং পীড়িত ৰাইজৰ ওঁঠলৈ আশাৰ এচলু পানী উভতি আহিছিল। আজিও নৌৰতি বাইৰ উদ্যমে হাৰ মনা নাই। দলিত সম্প্ৰদায়ৰ এইগৰাকী মহিলাই নিজে লিখিব-পঢ়িব বা কম্পিউটাৰৰ ব্যৱহাৰ কৰিব শিকাই নহয়, গাঁৱৰে দশম শ্ৰেণীৰ ছাত্ৰীসকলক নিজা তত্ত্বাৱধানত অতি নিষ্ঠাৰে কম্পিউটাৰ শিক্ষাৰে শিক্ষিত কৰিবলৈ একান্তভাৱে ব্ৰতী হৈছে।



বয়া পেড্ডা ৰাজন্না

অনন্তপুৰ জিলাৰ গোন্না গাঁৱৰ বয়া পেড্ডা ৰাজন্নাক আমি এজন বেজ বুলি ক'ব পাৰোঁ। পিতৃ পুৰুষৰপৰা শিকা বনৌষধিৰে জীৱ-জন্তুৰ চিকিৎসা কৰাটোৱেই তেওঁৰ কাম। এতেকে বাটোৱে দশক ধৰি তেওঁ নিষ্ঠাসহকাৰে এই কামত জড়িত হৈ আছে। ৰাজন্না অহিহন এটা বৃহৎ অঞ্চল যেন অচল। প্ৰয়োজনৰ তাগিদাত মাজদিশাও ৰাজন্না ওলাই গৈছে চিকিৎসা সাহায্য আগবঢ়াবলৈ। ৰাজন্নাৰ এই কাম দেখাত সৰু যদিও ই জীৱ-জন্তুৰ জীৱনৰ সুৰক্ষা পি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাতো এক গুৰুত্বপূৰ্ণ ভূমিকা আগবঢ়াইছে।